# অসমীয়া ভাষাৰ বিকাশৰ কথা

## পাঠ: 3

## ক্ৰিয়া-কলাপ

**প্ৰশ্ন ১ । পাঠটো শুদ্ধ উচ্চাৰণেৰে খোকোজা নলগাকৈ পঢ়া ।**

**উত্তৰঃ** (ছাত্ৰ ছাত্ৰী নিজে কৰা)

**প্ৰশ্ন ২। উত্তৰ দিয়া ।**

(ক) নয়নাহঁতে খুড়াকৰ পৰা কিহৰ বিষয়ে শুনিবলৈ ইচ্ছা কৰিছিল ?

**উত্তৰঃ** নয়নাহঁতে খুড়াকৰ বিষয়ে অসমীয়া ভাষাৰ বিষয়ে শুনিবলৈ ইচ্ছা কৰিছিল ।

(খ) হেম সৰস্বতীয়ে ৰচনা কৰা, তোমাৰ পাঠত উল্লেখ থকা পুথিখনৰ নাম কি ?

**উত্তৰঃ** আমাৰ পাঠত উল্লেখ থকা হেম সৰস্বতীয়ে ৰচনা কৰা পুথিখনৰ নাম হ'ল 'প্ৰহ্লাদ চৰিত্ৰ' ।

(গ) অলিখিত বা মৌখিক সাহিত্য মানে কি ?

**উত্তৰঃ** আখৰেৰে নিলিখা, মানুহৰ মুখে মুখে প্ৰচলিত সাহিত্যকে অলিখিত সাহিত্য বোলে । আখৰ চিনি নোপোৱা লোক সমাজত এনে সাহিত্যৰ সৃষ্টি হয় । অসমীয়া ভাষাত সাঁথৰ, মন্ত্ৰ,সাধুকথা, বিভিন্ন লোকগীত আদি অলেখ অলিখিত সাহিত্য প্ৰাচীন কালৰে পৰাই প্ৰচলিত হৈ আহিছে ।

(ঘ) ভাষা দুটা উপাদানৰ নাম লিখা ।

**উত্তৰঃ** ভাষাৰ দুটা অন্যতম প্ৰধান উপাদান হৈছে -ধ্বনি আৰু শব্দ ।

(ঙ) অসমীয়া ভাষাটোৱে কেতিয়া স্বকীয় ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰিলে ?

**উত্তৰঃ** অসমীয়া ভাষাটোৱে খ্ৰীষ্টীয় দশম শতিকামানৰ পৰা স্বকীয় ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰিছিল বুলি অনুমান কৰা হয় ।

(চ) ‘অসমীয়া’ শব্দটোৰ প্ৰচলন কাৰ আমোলত বেছিকৈ হৈছিল ?

**উত্তৰঃ** ইংৰাজী আমোলৰ সময়ত ‘অসমীয়া’ শব্দটোৰ প্ৰচলন বেছিকৈ হৈছিল ।

**প্ৰশ্ন ৩ । শব্দ সম্ভাৰ বা অভিধান চাই শব্দাৰ্থ লিখা ।**

ত্ৰয়োদশ, স্থানীয়, নিগাজি, স্বকীয়, আমোল

আবাসভূমি, উপাদান,অলিখিত, অনুকৃতি

**উত্তৰঃ**

| **শব্দ** | **অৰ্থ** |
| --- | --- |
| ত্ৰয়োদশ | তেৰ সংখ্যক |
| স্থানীয় | থলুৱা; নিজ অঞ্চলৰ |
| নিগাজি | চিৰস্থায়ী |
| স্বকীয় | নিজা |
| আমোল | শাসন; প্ৰভুত্ব |
| আবাসভূমি | বসবাস কৰা ঠাই আৰু তাৰ প্ৰাকৃতিক পৰিৱেশ |
| উপাদান | বস্তুৰ মূল পদাৰ্থ |
| অলিখিত | আখৰেৰে নিলিখা |
| অনুকৃতি | সদৃশ ৰূপ |

**প্ৰশ্ন ৪ । অসমীয়া ভাষাত স্থানীয় জনগোষ্ঠীৰ ভাষাৰ উপাদান কেনেকৈ সোমাল লিখা ।**

**উত্তৰঃ** ইতিহাসে ঢুকি পোৱা দিনৰো আগৰে পৰাই অসম ভূখণ্ড বিভিন্ন জনগোষ্ঠীৰ নিগাজি আবাসভূমি আছিল । সকলোৰে মাজত ভাব, ভাষা আৰু সংস্কৃতিৰ আদন-প্ৰদান হৈছিল । ফলত ইটো ভাষাৰ উপাদান সিটো ভাষাত সোমাই পৰিছিল। অসমীয়া ভাষাৰ উদ্ভৱকালতো স্থানীয় জনগোষ্ঠীয় ভাষাৰ দ্বাৰা অসমীয়া ভাষা ক'বলৈ লোৱা লোকসকলো প্ৰভাবান্বিত হৈছিল । ভাব, ভাষা আৰু সংস্কৃতিৰ আদান-প্ৰদানৰ দ্বাৰা অসমীয়া ভাষাতো কালক্ৰমত স্থানীয় জনগোষ্ঠীৰ ভাষাৰ বহুতো উপাদান সোমাই পৰিল ।

**প্ৰশ্ন ৫ । উপযুক্ত যতি চিহ্নৰে তলৰ বাক্যটো নতুনকৈ লিখা ।**

ভাষাৰ উপাদান মানে কি খুড়া নয়নাই সুধিলে খুড়াকে উত্তৰ দিলে ধ্বনি ৰূপ শব্দ বাক্য আদিয়েই ভাষাৰ উপাদান ।

**উত্তৰঃ** "ভাষাৰ উপাদান মানে কি খুড়া ?"—নয়নাই সুধিলে । খুড়াকে উত্তৰ দিলে– "ধ্বনি, ৰূপ, শব্দ, বাক্য আদিয়ে ভাষাৰ উপাদান ।"

**প্ৰশ্ন ৬ । তলত দিয়া বিশেষণ পদবোৰ বিশেষ্য পদলৈ নিয়া ।**

সুন্দৰ প্ৰচলিত স্থানীয়

ৰচিত পৰিৱৰ্তিত বিকশিত

**উত্তৰঃ**

| **বিশেষণ পদ** | **বিশেষ্য পদ** |
|---|---|
| সুন্দৰ | সৌন্দৰ্য |
| প্ৰচলিত | প্ৰচলন |
| স্থানীয় | স্থান |
| ৰচিত | ৰচনা |
| পৰিৱৰ্তিত | পৰিৱৰ্তন |

বিকশিত　　　　বিকাশ

**প্ৰশ্ন ৭ । তোমাৰ পাঠৰ পৰা পাঁচটা তৎসম শব্দ আৰু পাঁচটা বিদেশী মূলৰ শব্দ বাছি উলিয়াই তলৰ তালিকাখন পূৰ কৰা ।**

| | তৎসম শব্দ | বিদেশী মূলৰ শব্দ |
|---|---|---|
| উদাহৰণ | জন্ম | কাপ |
| | ১। | |
| | ২। | |
| | ৩। | |
| | ৪। | |
| | ৫। | |

**উত্তৰঃ**

| তৎসম শব্দ | বিদেশী মূলৰ শব্দ |
|---|---|
| ১। ত্ৰয়োদশ | বেঞ্চ |
| ২। প্ৰাচীন | চকলেট |
| ৩। পূৰ্ণ | পে’ন |
| ৪। সৃষ্টি | ফুটবল |
| ৫। যুগ | বিস্কুট |

**প্ৰশ্ন ৮। তলৰ শব্দবোৰৰ একোটিকৈ সমাৰ্থক শব্দ লিখা ।**

ধুনীয়া….. 　　নিগাজি…..

প্ৰাচীন..... চকলেট.....

পুথি...... সামৰণি.....

**উত্তৰঃ**

ধুনীয়া–সুন্দৰ নিগাজি–স্থায়ী

প্ৰাচীন–পুৰণি পূৰ্বতে–আগতে

পুথি–কিতাপ সামৰণি–সমাপ্তি

**প্ৰশ্ন ৯। “প্ৰাকশংকৰী যুগ বুলি কোনটো যুগক কোৱা হয় খুড়া ?” এইটো এটা প্ৰশ্নবোধক বাক্য । তোমালোকেও এনেধৰণৰ তিনিটা প্ৰশ্নবোধক বাক্য নিজৰ মতে সাজা ।**

**উত্তৰঃ** (ক) আজি তোমালোকে ফুটবল খেলিবলৈ যাবানে ?

(খ) কোনটো ঋতুত শেৱালি ফুল ফুলে ?

(গ) অসমীয়া ভাষাৰ মূল কি ?

**প্ৰশ্ন ১০। বাক্য ৰচনা কৰা ।**

মিচিকিয়াই চেনেহী পুৰণি

ধন্যবাদ সাহিত্য যুগে যুগে

**উত্তৰঃ** মিচিকিয়াই :- মহাৰাণীয়ে মিচিকিয়াই হাঁহি মহাৰাজাৰ পৰা উপহাৰটো গ্ৰহণ কৰিলে ।

চেনেহী :- বহুদিনৰ মূৰত মাহীয়েকৰ চেনেহী মাতটো শুনি হেমাই দৌৰি ওলাই আহিল ।

পুৰণি :- পুৰণি কালৰ ৰীতি-নীতিবোৰ পালন কৰিবলৈ আজিকালিৰ মানুহে টান পায় ।

সাহিত্য :- সাহিত্যৰ জৰিয়তে একোটা জাতিৰ আশা-আকাংক্ষা প্ৰকাশ পায় ।

যুগে যুগে :- যুগে যুগে সমাজৰ নিয়ম সলনি হৈ গৈ থাকে ।

**প্ৰশ্ন ১১। প্ৰাক-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলী । শংকৰী যুগৰ শ্ৰেষ্ঠ কবি কোন ?**

**উত্তৰঃ** শংকৰী যুগৰ শ্ৰেষ্ঠ কবি শ্ৰীমন্ত শংকৰদেৱ।

**প্ৰশ্ন ১২। মানুহৰ মুখে মুখে প্ৰচলিত সাহিত্যক মৌখিক সাহিত্য বোলে । মৌখিক সাহিত্য বুলিলে সাধুকথা, আইনাম, ধাইনাম, বিহুনাম, বিয়ানাম আদিকে বুজা যায় । তুমি জনা এফাকি বিহুনাম আৰু এফাকি বিয়ানাম লিখা ।**

**উত্তৰঃ** এফাকি বিহুনাম :-

পৰ্বতে পৰ্বতে বগাব পাৰোঁ মই
লতা বগাাবলৈ টান ।
বলীয়া হাতীকো বলাব পাৰোঁ মই
চেনাইক বলাবলৈ টান ।।

এফাকি বিয়ানাম :-

ৰাম ৰাম পানী তুলিবলৈ ।
ৰাম ৰাম সোণৰে কলচী ।
ৰাম ৰাম ৰূপেৰে কলচী লোৱা হে ।
ৰাম ৰাম যমুনাৰ ঘাটলৈ ।
ৰাম ৰাম উৰুলি জোঁকাৰে ।

ৰাম ৰাম দূৰে বাটে বুলি যোৱা হে ।।

কেইটামান জানিবলগীয়া কথা :-

১। অসমীয়া ভাষাত কিছুমান শব্দ সংস্কৃতৰ পৰা পোনে পোনে আহি সোমাইছে । এইবোৰ সংস্কৃতৰ ধৰণেই লিখা হয় । এই শব্দবোৰক তৎসম শব্দ বোলে । যেনে– সূৰ্য, কৰ্ম, যত্ন ইত্যাদি । কিছুমান শব্দ সংস্কৃতৰ পৰা পোনপটীয়াকৈ অসমীয়াত সোমাই অসমীয়া ভাষাৰ উচ্চাৰণ পদ্ধতি অনুসৰি সৰল হৈ পৰিছে ।এইবোৰক অৰ্ধ-তৎসম শব্দ বোলে । যেনে– চেনেহ, যঁতৰ, কৰম ইত্যাদি। কিছুমান সংস্কৃত শব্দই প্ৰাকৃত আৰু অপভ্ৰংশৰ স্তৰ অতিক্ৰম কৰি বেলেগ ৰূপ লৈ অসমীয়া ভাষাত সোমাইছে । এইবোৰক তদ্ভৱ শব্দ বোলা হয় । যেনে– চাক, গছ, জুই ইত্যাদি । অসমীয়া ভাষাত বুৰঞ্জী, তামোল, জখলা আদি অজস্ৰ থলুৱা আৰ্য-ভিন্ন ভাষাৰ শব্দ আছে । একেদৰে ইংৰাজী, পৰ্তুগীজ, ফৰাচী আদি বিদেশী ভাষাৰ শব্দও অসমীয়া ভাষাত যুগে যুগে সংযোজিত হৈ আহিছে ।

২। প্ৰাক শংকৰী যুগৰ পাঁচগৰাকী বিশিষ্ট অসমীয়া কবি হ’ল

(ক) হেম সৰস্বতী

(খ) কবিৰত্ন সৰস্বতী

(গ) ৰুদ্ৰ কন্দলী

(ঘ) হৰিবৰ বিপ্ৰ আৰু

(ঙ) মাধৱ কন্দলী ।

**২। দশক মানে হ’ল ১০ বছৰ বিয়পা কাল । শতিকা বা শতাব্দী মানে ১০০ বছৰৰ মুঠ সময় আৰু সহস্ৰাব্ধ মানে হ’ল ১০০০ বছৰ বিয়পি থকা কাল ।**

প্ৰকল্প :- তোমালোকৰ অঞ্চলত থকা বিভিন্ন জনগোষ্ঠীৰ লোকে তলৰ ব্যাক্তি বা বস্তুক কি কি বুলি কয়, জানি লৈ লিখা ।

পানী, ল’ৰা, ছোৱালী, ভাত, মাছ, মাংস, গাখীৰ,

পাকঘৰ, ককা, আইতা, দলং, পুখুৰী, জলকীয়া ।

সমাধান :- লগৰীয়া আৰু চুবুৰীয়াক সুধি জানি লোৱা আৰু তালিকা কৰা। যেনে—

অসমীয়া — পানী  বাংলা –জল

অসমীয়া—মাছ  বড়ো— না ইত্যাদি

ক,খ, গ, ঘ– চাৰিটা বৰ্ণৰে শব্দ অৰ্থ লিখি এখন অভিধানৰ আৰ্হি প্ৰস্তুত কৰা।

ক : কণ্ঠ-টেঁটু; ডিঙিৰ ওপৰৰ আগফাল।

কাল- সময়।

কৃতজ্ঞ – উপকাৰৰ শলাগ লওঁতা।

কেন্দ্ৰ – ১। বৃত্তৰ মধ্যবিন্দু, ২। নাভি, ৩। মুখ্যস্থান

কেশ – চুলি।

কোপ – খং, ক্ৰোধ।

কোলঠি – ডাঙৰ মাছৰ বুকু বা পেটৰ মঙহ

কৌমুদি – কাতি মাহ।

ক্ৰয় – কিনা কাৰ্য।

ক্লান্ত – ভাগৰুৱা।

খ :- খক/খঁক – খোৱাৰ তীব্ৰ হেঁপাহ।

খঞ্জন – বালিমাহী চৰাই।

খদ্দৰ – হাতে কটা সূতাৰ কাপোৰ

খা – ভোজন কৰ; ভক্ষণ কৰ্।

খাৰলি – বটি লোৱা সৰিয়হেৰে লোণ আদি মিহলাই কৰা এবিধ চাটনি ।

খালী – ৰিক্ত; একো নথকা ।

খিল্ খিল্ – নাৰীয়ে আনন্দতে হঁহা মুক্ত হাঁহিৰ শব্দ ।

খিয়াতি – যশ, খ্যাতি ।

খুঁটি – গোঁজ; সৰু খুঁটা ।

খোৱাৰ – গৰু-ছাগলী আটক কৰি ৰখা ফাকেট ।

গ :-গংগা – ভাগীৰথী নদী; জাহ্নবী ।

গঁড় – নাকৰ ওপৰত শিঙৰ দৰে খড়্গ থকা এবিধ ডাঙৰ তৃণভোজী জন্তু।

গন্ধ – ঘ্ৰাণ, বাস ।

গা – দেহ; শৰীৰ ।

গাদী – কপাহ আদিৰে কৰা আৰামী আসন ।

গাফিলতি – অৱহেলা; অমনযোগ ।

গুলী – বন্দুকেৰে মৰা ধাতুৰ বাৰুদযুক্ত গুটি ।

গেৰেলা – শিয়ালৰ নিচিনা এবিধ জন্তু ।

গোৰ – ভৰিৰে কৰা আঘাত ।

গোহালি – গৰু ৰখা বা বন্ধা ঘৰ ।

ঘ :- ঘড়া – পিতলৰ ডাঙৰ কলহ ।

ঘড়ী – সময় নিৰূপক যন্ত্ৰ ।

ঘঁৰিয়াল – এবিধ চাৰিঠেঙীয়া চিকাৰী প্ৰকৃতিৰ উভচৰ সৰীসৃপ।

ঘাগৰি – ঘূৰি; মেখেলাৰ দৰে এবিধ পোচাক।

ঘাঁহ – তৃণ; সৰু সৰু ডাল নথকা উদ্ভিদৰ প্ৰজাতি।

ঘুণ – কাঠ ফুটা কৰা উৰণীয়া পোক বিশেষ।

ঘোঁৰা – অশ্ব; তুৰঙ্গ; এবিধ তীব্ৰবেগী তৃণভোজী জন্তু।

ঘোল – জুলীয়া আৰু গোটা বস্তুৰ মিশ্ৰণ।

ঘোষণা – মুখেৰে উচ্চাৰণ কৰি দিয়া জাননী।

ঘোষা – ওজাই লগাই দিয়াৰ পাছত পালীসকলে গোৱা গীত-পদ।